আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, JANUARY 23, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ২৭ Guwahati, Assam ।। মূল্যঃ এটকা

# ‘মোক মাৰিলেও মই ভয় নকৰো, গোটেই পৃথিৱীয়ে মোৰ বিৰুদ্ধে থিয় দিলেও মই মোৰ সিদ্ধান্তত অটল হৈ থাকিম’

## সংবাদমেলত ক’লে ৰাহুল গান্ধীয়ে



ই-সংবাদ, গুৱাহাটী, ২৩ জানুৱাৰীঃ আজি দশম দিনটোত ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰা গুৱাহাটীত উপস্থিত হয়। গুৱাহাটীত উপস্থিত হোৱাৰ সময়তেই গুৱাহাটী আৰক্ষী আৰু কংগ্ৰেছ সমৰ্থকৰ মাজত যুযুধান ৰূপ দেখা যায়। ৰাহুল গান্ধীৰ মেঘালয়ৰ পৰা গুৱাহাটী উপস্থিত হোৱাৰ পূৰ্বেই অসম আৰক্ষীয়ে খানাপাৰাৰ সকলো প্ৰৱেশ পথত বেৰিকেড লগাই বন্ধ কৰি দিছিল।

শেষাংশ ২ পৃষ্ঠাত



বিতং বাতৰি ২ পৃষ্ঠাত

## কংগ্ৰেছৰ যাত্ৰাক ‘নক্সালবাদী কৌশল’ আখ্যা মুখ্যমন্ত্ৰীৰ

প্ৰথম পৃষ্ঠাৰ পৰা

# মোক মাৰিলেও মই ভয় নকৰো, গোটেই

বেৰিকেডৰ সন্মুখত আৰক্ষী থিয় হৈ কংগ্ৰেছ নেতা-কৰ্মীক পথৰ পৰা আতৰাবলৈ আৰম্ভ কৰিছিল। সেই সময়ত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক উগ্ৰ ৰূপত দেখা যায়। পথৰ দাঁতিত থিয় হৈ থকা কংগ্ৰেছৰ সমৰ্থকক উৎসাহ দিবলৈ বাৰে বাৰে পথৰ মাজেৰে আহ-যাহ কৰে ভূপেন বৰাই। আপোনালোকৰ একো হ'বলৈ নিদিও। সকলোতকৈ আগত মই থাকিম। আপোনালোকৰ একো হ'বলৈ নিদিও- বুলি কয় ভূপেন বৰাই। ৰাহুল গান্ধীৰ যাত্ৰাৰ বাছ খানাপাৰা পোৱাৰ পাছতে আৰক্ষীয়ে ভূপেন বৰাক বাধা দিয়ে। আৰক্ষীয়ে ভূপেন বৰাক টাৰ্গেট কৰি আৱদ্ধ কৰাৰ প্ৰয়াস কৰে। ভূপেন বৰাক দলীয় নেতা-কৰ্মীয়ে সুৰক্ষা দিয়াৰ প্ৰয়াস কৰে যদিও হঠাতে ৰাজপথত গটিয়াই দিয়াত ভূপেন বৰা বাগৰি পৰে। এটা সময়ত আৰক্ষীয়ে ভূপেন বৰাৰ ডিঙিত চেপা মাৰি ধৰাৰ লগতে প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপন হয়। ভূপেন বৰাক লাঠি চালনা কৰাৰ লগতে টনা-আজোৰা কৰাৰ ফলত গুৰুতৰভাবে আঘাতপ্ৰাপ্ত হয় ভূপেন বৰা। ভূপেন বৰাই পিন্ধি থকা কাপোৰ পৰ্যন্ত ফালি যায়। ঘামেৰে লুতুৰি-পুতুৰি হৈ পৰা ভূপেন বৰাই পাছত বেৰিকেড ভাঙি দিবলৈ সমৰ্থকক আহ্বান জনায়। ভূপেন বৰা আৰু সমৰ্থকক ৰখাবলৈ সকলো প্ৰকাৰে প্ৰয়াস কৰে গুৱাহাটী আৰক্ষীয়ে। তাৰ পাছতো পুনৰ লাঠি চালনা কৰাত ভূৰেন বৰাৰ গাত পৰে কেইবাটাও লাঠিৰ কোব। ভূপেন বৰাক কোনো কাৰণত আগুৱাই গুৱাহাটী মহানগৰত প্ৰৱেশ কৰিব নিদিলে আৰক্ষীয়ে। আঘাতপ্ৰাপ্ত ভূপেন বৰাক দীৰ্ঘ সময়ৰ মূৰত আৰক্ষীয়ে আতৰাই নিবলৈ সক্ষম হয়। ইফালে, হাজোত সংবাদমেল সম্বোধন কৰি ৰাহুল গান্ধীয়ে কয় যে তেওঁ অসমৰ জনগণৰ ওচৰলৈ পাঁচটা বিষয় লৈ আহিছো। 'মই এই সত্যৰ হকে যুঁজিম, মই মৃত্যুলৈ ভয় নকৰো। গোটেই পৃথিৱীয়ে মোৰ বিৰুদ্ধে থিয় দিলেও মই মোৰ সিদ্ধান্তত অটল হৈ থাকিম'- ৰাহুল গান্ধীয়ে কয়। সাংবাদিকে আপোনাক আক্ৰমণ কৰা হ'ব পাৰে নেকি বুলি সোধা এক প্ৰশ্নৰ উত্তৰ দি গান্ধীয়ে কয়, 'মোক আক্ৰমণ কৰিলেও মই পিছুৱাই নাহো। মোক মাৰি পেলাওক, আক্ৰমণ কৰক মই কেতিয়াও পিছুৱাই নাহো। মই কোনোধৰণৰ আক্ৰমণলৈ মুঠেই ভয় নকৰো।'

# কংগ্ৰেছৰ যাত্ৰাক 'নক্সালবাদী কৌশল'

**ই-সংবাদ, গুৱাহাটী, ২৩ জানুৱাৰীঃ** ন্যায় যাত্ৰাৰ নৱম দিনটোত তথা ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ দিনটোত নগাঁৱৰ ঐতিহাসিক বটদ্ৰৱা থানত ৰাহুল গান্ধীক প্ৰৱেশত বাধা দিছিল প্ৰশাসনে। যাত্ৰাত কেৱল বাধা দিয়াই নহয় লখিমপুৰ, শোণিতপুৰ আৰু মৰিগাঁৱত বিক্ষিপ্ত ঘটনা সংঘটিত কৰিছে বিজেপিৰ সমৰ্থকে। আজি এই যাত্ৰাৰ দশম দিনটোত মেঘালয়ৰ নৌংপুৰ পৰা ৰাহুল গান্ধী যোৰবাট হৈ গুৱাহাটীৰ খানাপাৰত উপস্থিত হৈছিল যদিও গুৱাহাটীত মহানগৰত প্ৰৱেশত বাধা দিয়ে আৰক্ষীয়ে। খানাপাৰত কেইবা শ আৰক্ষীয়ে ৰাহুল গান্ধীক ভেটা দিয়া পৰিলক্ষিত হয়। মুখ্যপথত আৰক্ষীয়ে বেৰিকেড বহুৱাই ৰাহুল গান্ধী আৰু কংগ্ৰেছৰ সমৰ্থকক ভেটা দিয়ে। ফলত দীৰ্ঘ সময় খানাপাৰত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। কেইবা ঠাইত যান-জঁট লগাও দেখা যায়। তাৰ পাছতে তৎপৰ হয় মুখ্যমন্ত্ৰী। পূৰ্বৰ পৰা গুৱাহাটীত ৰাহুল গান্ধীক প্ৰৱেশ কৰিব দিয়া নহ'ব বুলি কৈ আহিছিল হিমন্ত বিশ্ব শৰ্মাই। গুৱাহাটীত সোমালে গোচৰ ৰুজু কৰি নিৰ্বাচনৰ পাছত গ্ৰেপ্তাৰ কৰা হ'ব বুলিও উল্লেখ কৰিছিল। কিন্তু আজি মুখ্যমন্ত্ৰীয়ে নিজৰ ক্ষমতা ব্যৱহাৰ কৰি তেনে কাৰ্য কৰি দেখুৱালে। মুখ্যমন্ত্ৰীয়ে খানাপাৰাৰ পৰা ৰাহুল গান্ধীক মহানগৰত প্ৰৱেশ কৰিব নিদিয়াৰ লগতে গান্ধীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাহুল গান্ধীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙক। আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে মুখ্যমন্ত্ৰীৰ পোষ্টত প্ৰতিক্ৰিয়া দি তাৎক্ষণিত ব্যৱস্থা গ্ৰহণৰ প্ৰতিশ্ৰুতি দিয়ে মুখ্যমন্ত্ৰীক। ৰাহুল গান্ধীক সমালোচনা কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক্সত এটা ভিডিঅ' পোষ্ট কৰি কয় যে এইবোৰ অসম সংস্কৃতিৰ অংশ নহয়। আমি এখন শান্তিপূৰ্ণ ৰাজ্য। এনেধৰণৰ 'নক্সালবাদী কৌশল' আমাৰ সংস্কৃতিৰ বাবে সম্পূৰ্ণৰূপে বিপৰীত। মই ডিজিপি জি.পি সিঙক আপোনাৰ নেতাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ নিৰ্দেশ দিছো। জনতাক উত্তেজিত কৰাৰ বাবে আৰু আপুনি পোষ্ট কৰা ফুটেজ প্ৰমাণ হিচাপে ব্যৱহাৰ কৰিবলৈ কৈছে। আপোনাৰ উচ্ছৃংখল আচৰণ আৰু সন্মত নিৰ্দেশনা উলংঘনৰ ফলত এতিয়া গুৱাহাটীত বৃহৎ যান-জঁটৰ সৃষ্টি হৈছে। দীৰ্ঘ সময়ৰ অন্তত ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা খানাপাৰা-জালুকবাৰী ঘাইপথেৰে নামনি কামৰূপ গ্ৰাম্য জিলাত প্ৰৱেশ কৰে। গান্ধীয়ে ঘটনাৰ পাছতে দুপৰীয়া ১:২০ বজাত কামৰূপৰ হাজোত এখন সংবাদমেল অনুষ্ঠিত কৰে। ভাৰত জোড়ো ন্যায় যাত্ৰাই বিজেপি শাসিত অসমত কেইবাটাও বাধাৰ সন্মুখীন হোৱা বুলি কৈ আক্ষেপ প্ৰকাশ কৰে গান্ধীয়ে।

# কামপুৰ উঃমাঃ বিদ্যালয়ত প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ প্ৰস্তুতি

**ই-সংবাদ, কামপুৰ, ২৩ জানুৱাৰীঃ** নগাঁও জিলাৰ কামপুৰৰ ঐতিহ্যমণ্ডিত কামপুৰ উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন অহা ২৭-২৮ জানুৱাৰীত উদযাপন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। দুয়োটা দিনৰ কাৰ্যসূচীৰ ভিতৰত আছে বিদ্যালয়ৰ পতাকা উত্তোলন, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনীৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, প্ৰাক্তন শিক্ষা গুৰুক সম্বৰ্ধনা, প্ৰাক্তন শিক্ষাৰ্থীৰ অন্তৰংগ আলাপ, বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, মুকলি সভা আৰু স্মৃতি গ্ৰন্থ উন্মোচন কৰা হ'ব। বাবেৰহনীয়া সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত হ'ব বুলি জানিব পৰা গৈছে। দুদিনীয়া কাৰ্যসূচী সফল কৰিবৈ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনীৰ সভাপতি ডিম্বেশ্বৰ বৰা আৰু সম্পাদক বিদ্যাপ্ৰসাদ লস্কৰে আহ্বান জনাইছে।

# বৰপেটাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক শূদ্ৰ-দলিত বিৰোধী আখ্যা ৰাহুল গান্ধীৰ

**ই-সংবাদ, বৰপেটা, ২৩ জানুৱাৰীঃ** আজি ৰাজ্য চৰকাৰে ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাক গুৱাহাটী হৈ নামনি অসমত প্ৰৱেশ কৰো। গুৱাহাটীত আৰক্ষীৰ বাধাৰ পিছত পূৰ্ব নিৰ্ধাৰিত কেবাটাও কাৰ্যসূচী বাতিল কৰি কামৰূপ গ্ৰাম্য জিলাৰ মাজেৰে হাজো-নলবাৰী হৈ বৰেপটাত প্ৰৱেশ কৰে ৰাহুল গান্ধীৰ যাত্ৰা। বৰপেটা জিলাত প্ৰৱেশ কৰি হিমন্ত বিশ্ব শৰ্মাক শূদ্ৰ বিৰোধী আখ্যা দিয়ে ৰাহুল গান্ধীয়ে। ৰাহুল গান্ধীয়ে হিমন্ত বিশ্ব শৰ্মাক শূদ্ৰ বিৰোধী আখ্যা দি পিছপৰা শ্ৰেণীৰ লোকসকলে কিয় মাত মতা দিয়া নাই বুলি প্ৰশ্ন কৰে? পিছপৰা শ্ৰেণী আৰু দলিতসকলক অপমান কৰাৰ অভিযোগ উত্থাপন কৰি দাবী কৰি কয় যে হিমন্ত বিশ্ব শৰ্মাৰ মতে, পিছপৰা শ্ৰেণী আৰু দলিতসকল উচ্চ বৰ্ণৰলোকক সেৱা কৰিবলৈ জন্মগ্ৰহণ কৰিছে। কংগ্ৰেছ নেতাজনে অসমৰ জনসাধাৰণক, বিশেষকৈ অ'বিচি আৰু দলিতসকলক মুখ্যমন্ত্ৰীৰ বিভাজনমূলক মন্তব্যৰ বিৰুদ্ধে প্ৰশ্ন উত্থাপন কৰিবলৈ আহ্বান জনায়। বৰপেটাত এক সমাৰেশক সম্বোধন কৰি ৰাহুল গান্ধীয়ে মুখ্যমন্ত্ৰীৰ টুইটৰ কথা উল্লেখ কৰি কয় যে হিমন্তৰ মতে, দলিতৰ দৰে আন পিছপৰা শ্ৰেণীৰ লোক উচ্চবৰ্ণৰ বাবে কাম কৰিবলৈ জন্ম গ্ৰহণ কৰে। ৰাইজক নীৰৱতা ভংগ কৰিবলৈ আৰু মুখ্যমন্ত্ৰীৰ মুখামুখি হ'বলৈ আহ্বান জনাই ৰাহুলে কয় যে এনে বিভাজনমূলক ভাষ্যক প্ৰত্যাহ্বান জনোৱাৰ ক্ষেত্ৰত সংখ্যালঘুসকলো পিছ পৰি থাকিব নালাগে। গান্ধীয়ে এখন বিশ্ববিদ্যালয়ত সভা অনুষ্ঠিত কৰিব নিদিয়াত আক্ষেপ প্ৰকাশ কৰি কয় যে মুখ্যমন্ত্ৰীয়ে বিশ্ববিদ্যালয়ত সভা অনুষ্ঠিত কৰিব নিদিলে। কিন্তু মই যেতিয়া যাত্ৰা কৰি আহি আছিলো তেতিয়া শিক্ষাৰ্থীসকলে বিশ্ববিদ্যালয়ৰ পৰা ওলাই আহি কথোপকথনত মিলিত হয়। মুখ্যমন্ত্ৰী শৰ্মাৰ হস্তক্ষেপৰ বাবে বিশ্ববিদ্যালয়ৰ ভিতৰলৈ গৈ শিক্ষাৰ্থীসকলক ৰাহুল গান্ধীৰ সৈতে বাৰ্তালাপ কৰিবলৈ অনুমতি দিয়া নহ'লা হিমন্ত বিশ্ব শৰ্মা আৰু অমিত শ্বাহে অসমৰ যুৱক-যুৱতীসকলক ভাবুকি দিব নোৱাৰে। আগন্তুক নিৰ্বাচনত, কংগ্ৰেছ অসমত ক্ষমতালৈ আহিব আৰু তাৰ পাছত আমি চাম কোনে টুইটাৰত কি পোষ্ট কৰিছে আৰু কোনে কাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। উল্লেখ্য যে, বিগত ২৬ ডিচেম্বৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ ফেচবুক আৰু টুইটাৰ যোগে বিশেষ বাণী প্ৰচাৰ কৰিছিল। বাণীৰ এটা অংশত কোৱা হৈছিল যে 'ভগৱান শ্ৰীকৃষ্ণই নিজ মুখে কৈছে যে ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যৰ শুশ্ৰূষা কৰাটোৱে শূদ্ৰৰ স্বাভাৱিক কৰ্ম।' ইয়াৰ দ্বাৰা হিমন্ত বিশ্ব শৰ্মাই ব্ৰাহ্মণ্যবাদৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতা কৰাৰ অভিযোগ উত্থাপন হৈছিল।



# আনুষ্ঠানিকভাৱে আলফা ভংগ! নতুনকৈ গঠন হ'ল অসম জাতীয় বিকাশ মঞ্চ

**ই-সংবাদ, ২৩ জানুৱাৰীঃ** একালত অসমক স্বাধীন কৰিম বুলি ঘৰৰ পৰা ওলাই গৈ সশস্ত্ৰ সংগ্ৰাম কৰা সংযুক্ত মুক্তি বাহিনী, অসমৰ কৰুণ সমাপ্তি ঘটিল৷ ভাৰতীয় গণতন্ত্ৰ তথা সংবিধানৰ আওতাত আলোচনা কৰিবলৈ ওলাই অহা সশস্ত্ৰ সংগ্ৰাম কৰা বিদ্ৰোহী সংগঠন সংযুক্ত মুক্তি বাহিনী, অসমক আজি ভংগ কৰাৰ ঘোষণা কৰে৷ আজিৰে পৰা ৪৪ বছৰীয়া সশস্ত্ৰ সংগ্ৰাম সমাপ্তি হ'ল। সংযুক্ত মুক্তি বাহিনী, অসম চমুকৈ আলফাৰ আজি সাধাৰণ পৰিষদৰ বৈঠক অনুষ্ঠিত হয়৷ অধ্যক্ষ অৰবিন্দ ৰাজখোৱাৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ পৰিষদৰ বৈঠকত প্ৰতিগৰাকী শীৰ্ষ নেতাই অসমৰ স্বাৰ্থত কাম কৰাৰ লগতে আলফা আলোচনাপন্থী গোট ভংগ কৰি নতুনকৈ অসম জাতীয় বিকাশ মঞ্চ গঠনৰ সিদ্ধান্ত লয়। দৰং জিলাৰ মঙলদৈৰ চমুৱাপাৰাত নৱ নিৰ্মাণ কেন্দ্ৰত অনুষ্ঠিত আলফাৰ অন্তিমখন সাধাৰণ পৰিষদৰ বৈঠকত নেতাসকলে ফেকুৰী উঠে৷ প্ৰতিগৰাকী নেতাই ভাষণৰ সময়ত চকুলো টোকে৷ সাধাৰণ সম্পাদক অনুপ চেতিয়াৰ ফেকুৰী ফেকুৰী কান্দি কয় 'নিজে জন্ম দিয়া সংগঠনটোক ভংগ কৰিব খুজিছো। চলিত মাহতেই চৰকাৰৰ হাতত অস্ত্ৰ-শস্ত্ৰ জমা দিয়া হ'ব'। এতিয়াৰ পৰা আৰু সংগঠন হৈ নাথাকে আলফা। ১৯৭৯ চনৰ ৭ এপ্ৰিলত ৰংঘৰৰ বাকৰিত প্ৰতিষ্ঠা হৈছিল সংযুক্ত মুক্তি বাহিনী, অসমৰ৷ আলফাৰ আলোচনাপন্থী গোটটোৱে ২৯ ডিচেম্বৰত ঐতিহাসিক চুক্তি স্বাক্ষৰ কৰে৷ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত চুক্তিত স্বাক্ষৰ কৰিছিল৷ চুক্তি স্বাক্ষাৰৰ সময়ত আলফাৰ অধ্যক্ষ অৰবিন্দ ৰাজখোৱা, অনুপ চেতিয়া, শশধৰ চৌধুৰী, প্ৰদীপ গগৈ, চিত্ৰবন হাজৰিকা, মিথিংগা দৈমাৰী, প্ৰণতি ডেকা, ৰাজু বৰুৱা, অপুৰ্ব বৰুৱা, বিজু ডেকা, প্ৰাণজিৎ শইকীয়া, অণ্টু চাওদাং, প্ৰদ্যুৎ গোহাঁই, পল্লৱ শইকীয়া, মৃণাল হাজৰিকা, দেৰহাগ্ৰা বসুমতাৰী উপস্থিত আছিল৷ নতুন দিল্লীৰ নৰ্থ ব্লকত মূলসুঁতিলৈ ওলাই অহাৰ ১২ বছৰৰ অন্তত ত্ৰিপাক্ষিক শান্তি চুক্তি স্বাক্ষৰিত হয়৷ ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰ কৰি অহা ৩১ ডিচেম্বৰত গুৱাহাটীত উপস্থিত হোৱাত গুৱাহাটী মহানগৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত স্বাক্ষৰকাৰী আলফা নেতাসকলক বিভিন্ন দল-সংগঠনে ফুলাম গামোচা পিন্ধাই উষ্ম আদৰণি জনায়৷ অসমৰ বিভিন্ন লোকে চুক্তি প্ৰস্তাৱক লৈ অনুসন্ধিৎসু হোৱা দেখা গৈছিল৷ কিন্তু অসমৰ ৰাইজে বিচৰা থলিগীৰিৰ সুৰক্ষাৰ বিষয়সমূহ চুক্তিত নথকাত বিভিন্নজনে সমাজিক মাধ্যমত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছিল৷ ৰাজনৈতিক ৰক্ষাকৱচ, প্ৰব্ৰজনকাৰীক চিনাক্ত কৰি বহিস্কাৰ কৰা, নাগৰিকত্ব সংশোধনী আইন অসমত কাৰ্যকৰী নকৰা, আন্তঃৰাজ্যিক পাৰপত্ৰ ব্যৱস্থা, থলুৱাৰ বাবে লোকসভা-বিধানসভাৰ আসন সংৰক্ষণ, বানপানী-খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা ৰূপে ঘোষণা, চাহপাতৰ নিলাম কেন্দ্ৰ অসমলৈ স্থানান্তৰ, ৰাজ্যিক সীমাবিবাদ নিষ্পত্তি, সম্পদৰ ওপৰত সম্পূৰ্ণ অধিকাৰ এই বিষয়সমূহ চুক্তিত সন্নিৱিষ্ট হোৱা নাছিল৷ সন্ধানহীন আলফা নেতাৰ সন্ধান, আলফাৰ নামত নিৰ্যাতনৰ বলি হোৱা পৰিয়ালক সাহায্য, শ্বহীদ আলফাৰ নেতা-কেডাৰৰ পৰিয়ালক সাহায্য এই বিষয়সমূহ চুক্তিত উল্লেখ নথকাত অসমীয়া ৰাইজ হতাশ হৈছিল৷ উল্লেখ্য যে, এই আলোচনাত পৰিৱেশ সূচনা হৈছিল ২০০৫ চনত৷ ড০ হীৰেণ গোহাঁই, সাংবাদিক অজিত কুমাৰ ভূঞাকে ধৰি ৰাজ্যৰ আগশাৰীৰ লোকৰ উদ্যোগত অনুষ্ঠিত জাতীয় অভিৱৰ্তনে আলোচনা কৰিবলৈ সন্মতি দিছিল৷ ২০১৫ চনত জংঘলত থকাৰ সময়তে আলফাৰ সভাপতি অৰবিন্দ ৰাজখোৱাই পিচিজি নামেৰে এতিয়া সমিতি গঠন কৰিছিল৷ জ্ঞানপীঠ বঁটা বিজয়ী মামণি ৰয়ছম গোস্বামীক মুখ্য সম্বন্বয়ৰক্ষী হিচাপে লৈ গঠন কৰা সমিতিত ৰেৱতী ফুকন, অৰূপ বৰবৰা, লাচিত বৰদলৈ, মুকুল মহন্ত, অজিত কুমাৰ ভূঞা, হাইদৰ হুছেইন, ব্ৰজেন গগৈ, দিলীপ পাটগিৰি, দিগন্ত কোঁৱৰ আৰু হিৰণ্য শইকীয়াক সদস্য কৰা হৈছিল৷ পিচিজিয়ে দিল্লীৰ সৈতে আলোচনাৰ পৰিৱেশ তৈয়াৰ কৰিবলৈ প্ৰয়াস কৰিছিল৷ আলফাৰ হৈ দিল্লীত আলোচনাত বহিছিল এই সমিতিয়ে৷ কিন্তু পৰৱৰ্তী পৰ্যায়ত এই আলোচনা বিফল হয়৷ সেই সময়ৰ কংগ্ৰেছ চৰকাৰে 'সাৰ্বভৌমত্ব' বা 'স্বাধীন অসম'ৰ দাবীক লৈ কোনো প্ৰকাৰে আলোচনা সম্ভৱ নহয় বুলি স্পষ্ট কৰিছিল৷ কিন্তু আলফা আছিল আকোৰগোজ৷ ভাৰত চৰকাৰ আৰু আলফাৰ মাজৰ আলোচনা তৃতীয় এখন ৰাষ্ট্ৰত অনুষ্ঠিত কৰা, আলোচনা ৰাষ্ট্ৰসংঘৰ তত্বাৱধানত অনুষ্ঠিত কৰা, আলোচনাৰ বিষয়সূচীত অসমৰ সাৰ্বভৌমত্ব বিষয় অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনাই আহে৷ সেই সময়তে সভাপতি অৰবিন্দ ৰাজখোৱাক বাংলা বাংলাদেশৰ পৰা হস্তান্তৰ কৰি ভাৰতক অৰ্পণ কৰাৰ পাছতে ২০১১ চনত পিচিজি ভংগ ঘোষণা কৰে৷ ২০০৯ চনৰ ৩০ নৱেম্বৰত বাংলাদেশ আৰক্ষীয়ে ঢাকাত অৰবিন্দ ৰাজখোৱাক গ্ৰেপ্তাৰ কৰিছিল। ৰাজখোৱাক ভাৰতীয় কৰ্তৃপক্ষক গতাই দিয়া হয়। আনহাতে চোৰাংচোৱাই দাবী কৰিছিল যে অৰবিন্দ ৰাজখোৱাই আগৰতলাত ভাৰতীয় সুৰক্ষা বাহিনীৰ ওচৰত আত্মসমৰ্পণ কৰিছিল৷ পাছত বিমানেৰে নতুন দিল্লীলৈ নি চৰকাৰৰ সৈতে আলোচনাৰ মেজত বহুওৱাবলৈ প্ৰয়াস কৰা হৈছিল।

# বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কৰপুৰী ঠাকুৰক মৰণোত্তৰভাৱে ভাৰতৰত্ন প্ৰদান

**নতুন দিল্লী, ২৩ জানুৱাৰীঃ** বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কৰপুৰী ঠাকুৰক মৰণোত্তৰভাৱে ভাৰত ৰত্ন প্ৰদান কৰা হ'ব। ৰাষ্ট্ৰপতি দ্ৰোপদী মুৰ্মুৱে আজি জাৰি কৰা এক বিবৃতিত কৰপুৰী ঠাকুৰক ভাৰত ৰত্ন দিয়াৰ কথা ঘোষণা কৰিছে। দীৰ্ঘদিন ধৰি ভাৰত ৰত্ন দিয়াৰ দাবী উত্থাপন হৈ আহিছিল। বিহাৰত জননায়ক হিচাপে খ্যাতি অৰ্জন কৰা কাৰপুৰী ঠাকুৰৰ জন্ম হৈছিল ১৯২৪ চনত। বিহাৰৰ প্ৰথম অ-কংগ্ৰেছী মুখ্যমন্ত্ৰী আছিল।

কাৰপুৰী ঠাকুৰ দুবাৰ মুখ্যমন্ত্ৰী আৰু এবাৰ উপ-মুখ্যমন্ত্ৰী আছিল। ১৯৫২ চনত প্ৰথমবাৰৰ বাবে বিধায়ক হৈছিল। ১৯৫২ চনত অনুষ্ঠিত প্ৰথম বিধানসভা নিৰ্বাচনত জয়লাভ কৰি প্ৰথমবাৰৰ বাবে বিধায়ক হৈছিল আৰু আজীৱন বিধান সভাৰ সদস্য আছিল। ১৯৬৭ চনত প্ৰথমবাৰৰ বাবে দেশৰ ৯ খন ৰাজ্যত অ-কংগ্ৰেছী চৰকাৰ গঠন কৰা হৈছিল। তেতিয়া তেওঁ বিহাৰৰ মহামায়া প্ৰসাদ চৰকাৰত শিক্ষা মন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰী হৈছিল। জনসাধাৰণৰ মাজত বহু জনপ্ৰিয় আছিল। ১৯৭৭ চনত প্ৰথমবাৰৰ বাবে মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিছিল। কাৰপুৰী ঠাকুৰে আজীৱন সামাজিক বৈষম্যৰ বিৰুদ্ধে যুঁজ দি বিহাৰৰ ৰাজনীতিত দৰিদ্ৰ আৰু দলিতৰ কণ্ঠস্বৰ হিচাপে আত্মপ্ৰকাশ কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাৰপুৰী ঠাকুৰক ভাৰত ৰত্ন ঘোষণা কৰাৰ পাছতে প্ৰতিক্ৰিয়া ব্যক্ত কৰে।

মোদীয়ে লিখিছে যে মই সুখী যে ভাৰত চৰকাৰে সামাজিক ন্যায়ৰ প্ৰতীক মহান জননায়ক কাৰপুৰী ঠাকুৰক ভাৰত ৰত্নৰে সন্মানিত কৰাৰ সিদ্ধান্ত লৈছে। এনে সময়ত এই সন্মান দিয়া হৈছে যিটো সময়ত আমি তেওঁৰ জন্ম শতবাৰ্ষিকী উদযাপন কৰি আছো। এই সন্মানীয় সন্মান প্ৰান্তীয় লোকসকলৰ বাবে ক্ষমতা আৰু সশক্তিকৰণৰ চেম্পিয়ন হিচাপে স্থায়ী প্ৰচেষ্টাৰ প্ৰমাণ।

## সেনাক উভতাই নিবলৈ আহোতেই এই অঘটন

# মিজোৰামত ম্যানমাৰৰ সেনাৰ বিমান দুৰ্ঘটনাগ্ৰস্ত, আহত ৬

**আইজল, ২৩ জানুৱাৰীঃ** বিদ্ৰোহী গোটৰ শক্তিশালী প্ৰত্যাক্ৰমণত ম্যানমাৰ সেনাৰ জোৱানে প্ৰাণৰ ভয়ত ভাৰতত প্ৰৱেশ কৰিবলৈ বাধ্য হৈছে। মন্যামাৰ সেনা আৰু আৰাকান বিদ্ৰোহীৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ফলত মানৱতাৰ বধ্যভূমিত পৰিণত হৈছে ম্যানমাৰ। অস্থিৰ ম্যানমাৰত মানুহৰ জীৱন-সম্পত্তীৰ সুৰক্ষা নোহোৱা হৈছে। বিশেষকৈ অসম-ম্যানমাৰ সীমান্তত আৰাকান বিদ্ৰোহীয়ে বৰ্বৰ আক্ৰমণ চলোৱাত ঘৰ-বাৰী এৰি নাগৰিক স্থানান্তৰিত হ'বলৈ বাধ্য হৈছে। আৰাকান বিদ্ৰোহীয়ে সেনাক লক্ষ্য কৰি আক্ৰমণ দুগুণ বৃদ্ধি কৰাত ম্যানমাৰৰ সেনাই শিবিৰ এৰিবলৈ বাধ্য হৈ ভাৰত ভূমিত প্ৰৱেশ কৰিছে। প্ৰায় ২০০ ম্যানমাৰ সেনা মিজোৰামৰ আসাম ৰাইফলছৰ শিবিৰত বাহিৰ পাতিছে।

মিজোৰামত বাহৰ পতা সেনাক উভতাই নিবলৈ অহা ম্যানমাৰ সেনাৰ এখন হেলিকপ্টাৰ আজি দুৰ্ঘটনাত পতিত হয়। যান্ত্ৰিক বিজুতিৰ বাবে ভূপতিত হেলিকপ্চাৰ খনৰ ভিতৰত থকা ৬ জন লোক গুৰুতৰভাৱে আহত হয়। আজি মিজোৰামৰ লেংপুই বিমানবন্দৰৰ ৰানৱেৰ পৰা উৰণৰ সময়তে ম্যানমাৰৰ সামৰিক বিমান ভূপতিত হয়। বিমানত থকা ১৪ জন লোকৰ ভিতৰত ছয়জন লোক আহত হয়। মিজোৰামত আশ্ৰয় লৈ থকা সৈনিকসকলক ঘূৰাই আনিবলৈ আহিছিল বিমানখন। মিজোৰামৰ আৰক্ষী সঞ্চালক প্ৰধানে (ডিজিপি) কয় যে আহত লোকসকলক চিকিৎসাৰ বাবে লেংপুই চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। লেংপুই বিমানবন্দৰত বাৰ্মিজ সেনাৰ এখন বিমান দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত ৬ জন লোক আহত হয়। বিমানখনত পাইলটজনৰ সৈতে ১৪ জন লোক আছিল। জানিব পৰা মতে, ভাৰতে সোমবাৰে ১৮৪ জন ম্যানমাৰৰ সৈনিকক ঘূৰাই পঠিয়াইছে। এই কথা নিশ্চিত কৰি অসম ৰাইফলছৰ এজন বিষয়াই কয় যে যোৱা সপ্তাহত মিজোৰামত মুঠ ২৭৬ জন ম্যানমাৰৰ সৈন্য প্ৰৱেশ কৰিছিল। ২২ জানুৱাৰীত ম্যানমাৰৰ বায়ু সেনাৰ বিমানে সৈন্যসকলক লেংপুই বিমানবন্দৰৰ পৰা ম্যানমাৰৰ ৰাখাইনলৈ নিছিল। আজি বাকী ৯২ জন সৈনিকক স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰাৰ কথা আছিল। কিন্তু বিমানখন দুৰ্ঘটনাত পতিত হোৱাত সেয়া সম্ভৱ নহ'ল।

বিগত প্ৰায় ১০টা দিনত ম্যানমাৰৰ সৈন্যই মিজোৰামৰ দক্ষিণৰ জিলা লংটলাইৰ ভাৰত-ম্যানমাৰ-বাংলাদেশ ত্ৰিজংচনৰ বান্দুকবাংগা গাঁৱত অস্ত্ৰ-শস্ত্ৰ আৰু গোলাবাৰুদ লৈ প্ৰৱেশ কৰিছিল। সেনা জোৱানসকলে অসম ৰাইফলছৰ কাষ চাপে। আৰাকান বিদ্ৰোহীয়ে সেনাৰ শিবিৰ অধিগ্ৰহণ কৰাৰ পাছতে ম্যানমাৰৰ সৈন্যই দেশ এৰি পলাবলৈ বাধ্য হৈছিল। এতিয়ালৈকে প্ৰায় ৬৩৫ জন ম্যানমাৰৰ সৈন্যই শিবিৰ এৰি ভাৰতত প্ৰৱেশ কৰিছে। এতিয়ালৈ ৩৫৯ জন সৈনিককদেশলৈ ঘূৰাই পঠোৱা হৈছে।

# ভূপেন বৰাক আৰক্ষীৰ প্ৰহাৰৰ ঘটনাক একমুখে ধিক্কাৰ ৰাইজৰ দল, অজাপ, তৃণমূল কংগ্ৰেছ, আপৰ

## হিমন্ত বিশ্ব শৰ্মাৰ ক্ষমতাই মূৰত ধৰিছেঃ প্ৰদেশ কংগ্ৰেছ

**ই-সংবাদ, গুৱাহাটী, ২৩ জানুৱাৰীঃ** ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাক গুৱাহাটী মহানগৰীত প্ৰৱেশ কৰিব নিদিয়াত সৰৱ হৈছে ৰাজ্যৰ আটাইকেইটা বিৰোধী দল। আজি পুনৰ আৰক্ষীৰ দ্বাৰা প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা আৰু কেইবাটাও বিৰোধী দলৰ নেতা-কৰ্মী নিগ্ৰহৰ বলি হোৱাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে প্ৰদেশ কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ, তৃণমূল কংগ্ৰেছ আৰু আম আদমী পাৰ্টীয়ে। বিৰোধী ঐক্য মঞ্চৰ আটাইকেইট দলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰে। প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ ভৰত নৰহ আৰু উপাধ্যক্ষ বেদব্ৰত বৰাই ভাৰত জোড়ো ন্যায় যাত্ৰাক বাৰে বাৰে চৰকাৰ আৰু বিজেপি দলে বাধা প্ৰদান কৰি তেওঁলোকৰ ফেচিষ্ট আৰু অগণতান্ত্ৰিক চৰিত্ৰক প্ৰকট কৰি তুলিছে বুলি কয়। প্ৰদেশ কংগ্ৰেছে বিবৃতিত কয় যে আজি আৰক্ষীয়ে চৰম পৰ্যায় পালে। শান্তিপূৰ্ণ শোভাযাত্ৰাকাৰীক বাৰে বাৰে বাধা দি শেষ মুহূৰ্তত বেৰিকেডেৰে বান্ধি ৰাখিব বিচৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিছে। আৰক্ষীৰ বেষ্টনী ভাঙি দিয়াৰ লগে লগে আৰক্ষীয়ে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক আক্ৰমণৰ লক্ষ্য কৰি লৈ ডিঙিত চেপি ধৰা আৰু লাঠিৰে উপৰ্যুপৰি প্ৰহাৰ কৰা কাৰ্য অসম আৰক্ষীৰ কাপুৰুষালিৰ বাহিৰে আন একো নহয়। আৰক্ষীৰ লাঠিচালনাত বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়া, সাংসদ গৌৰৱ গগৈ, বৰ্ণালী ফুকন, যুৱ কংগ্ৰেছৰ সভাপতি জুবেৰ এনাম চৌধুৰীকে ধৰি কেবাগৰাকী জ্যেষ্ঠ কংগ্ৰেছ নেতা আৰু নিষ্ঠাৱান কৰ্মী আহত হ'বলগীয়া হৈছে। এই ঘটনাই চৰকাৰখনৰ হিটলাৰী শাসনৰ স্বৰূপ উদঙাই দিয়া বুলি কৈ বিবৃতিত আৰু কয় যে কংগ্ৰেছ আইন-শৃংখলা মানি চলে বাবেই আৰক্ষীয়ে দিয়া পথ নিৰ্দেশনা ভংগ কৰা নাই। কিন্তু বাৰে বাৰে বাধা প্ৰদান কৰি থাকিলে কংগ্ৰেছে নিজৰ শক্তি দেখুৱাবলৈ আৰক্ষীৰ আবেষ্টনী যে ভাঙি দিব পাৰে তাৰ আজি প্ৰমাণ কৰি দিলে। অসমত হিটলাৰী শাসন নচলিব বুলি উল্লেখ কৰি প্ৰদেশ কংগ্ৰেছৰ তৰফৰ পৰা এইবুলি কোৱা হয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ক্ষমতাই মূৰত ধৰিছে। তেওঁ নিজৰ দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰ ঢাকিবৰ বাবেই এইদৰে ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাত বাধা প্ৰদান কৰি সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰিব খুজিছে।

আনহাতে এই কাণ্ডক তীব্ৰ গৰিহণা দিছে ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। ৰাইজৰ দলে এক বিবৃতি যোগে কয় যে এই ঘটনা দেশৰ গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি ভাবুকি। শান্তিৰে, গণতান্ত্ৰিকভাবে কৰা যাত্ৰাক হিমন্ত বিশ্ব শৰ্মাই বাৰে বাৰে বাধা দিছে। নেতাক আক্ৰমণ কৰিছে। গুৱাহাটীত জে.পি নাড্ডাক ৰেলী কৰিব দিয়ে। বাইক ৰেলী উলিয়াব দিয়ে। কিন্তু ৰাহুল গান্ধীক গুৱাহাটীত সোমাব নিদিয়াটো দুৰ্ভাগ্যজনক আৰু গণতান্ত্ৰিক ব্যৱস্থাটোৰ প্ৰতি তীব্ৰ ভাবুকি। বিজেপিয়ে মানুহৰ অধিকাৰ এটা এটাকৈ কাঢ়ি লৈছে। ৰামৰাজ্যত এয়া ৰাৱণবাদ, এয়া ফেচীবাদ। অখিল গগৈয়ে এই ঘটনাক গৰিহণা দি ঘটনাৰ তদন্ত দাবী কৰে। গুৱাহাটীত ভাৰত জোড়ো ন্যায় যাত্ৰাত আপৰৰ নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। শান্তিপূৰ্ণভাৱে চলি থকা যাত্ৰাক অসম আৰক্ষীৰ বাধাৰ সন্মুখীন হোৱাৰ লগতে আৰক্ষীৰ প্ৰহাৰত দলটোৰ কেইবাজনো কৰ্মী আঘাতপ্ৰাপ্ত হৈ চিকিৎসাধীন হ'ব লগা হয়। গণতান্ত্ৰিক যাত্ৰাত এনে অগণতান্ত্ৰিকভাৱে জনতাৰ ওপৰত আৰক্ষীয়ে কৰা অত্যাচাৰক আম আদমি পাৰ্টীয়ে তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। বিবৃতি যোগে দলটোৰ ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন অসমৰ চৰকাৰৰ এয়া স্বৈৰাচাৰী, অগণতান্ত্ৰিক শাসন ব্যৱস্থা বুলি উল্লেখ কৰি নীৰিহ জনতাৰ ওপৰত লাঠি চলাই এই অমানুষিক অত্যাচাৰৰ বিৰুদ্ধে সমগ্ৰ অসমবাসীক মাৰ বান্ধি থিয় দিবলৈ আহ্বান জনায়। আজি পুৱাৰে পৰা ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাক বাধা দিবলৈ আৰক্ষী মোতায়েন কৰা কাৰ্যক স্বৈৰাচাৰী আৰু অগণতান্ত্ৰিক আখ্যা দিয়ে অসম তৃণমূল কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। ৰিপুন বৰাই কয় জে.পি নাড্ডাই যদি মহানগৰৰ মাজেৰে ৰেলী কৰিব পাৰে, ৰাহুল গান্ধীয়ে ন্যায়ৰ বাবে যাত্ৰা কিয় কৰিব নোৱাৰে? বিজেপিয়ে অসমত অঘোষিত জৰুৰী অৱস্থাৰ সৃষ্টি কৰিছে। বিৰোধীৰ উত্থানত হিমন্ত বিশ্ব শৰ্মাই মানসিক ভাৰসাম্য হেৰুৱাইছে। হিটলাৰী শাসন চলাইছে। ৰাজনৈতিক দলৰ ৰেলীক কেনেদৰে বিফল কৰিবলৈ উঠিৰপৰি লাগিছে, অসমৰ মানুহে সেয়া দেখিছে আৰু সময়ত অসমৰ মানুহে প্ৰত্যুত্তৰ দিব। ৰিপুন বৰাই আৰু কয় 'প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক কৰা আক্ৰমণক লৈ নীৰৱ মুখ্যমন্ত্ৰী। আজি পুনৰবাৰ ভূপেন বৰাক আক্ৰমণ কৰা হ'ল। এয়া নিন্দনীয়। সনাতন ধৰ্মৰ কথা কোৱা হিমন্তই অসমত আসুৰিক সন্ত্ৰাস চলাইছে। আৰু নিৰীহৰ ওপৰত গুণ্ডাগিৰী কৰিছে। ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে হিমন্ত বিশ্ব শৰ্মাৰ পতন আৰম্ভ হৈছে। এয়া চমৰ অভদ্ৰামী আৰু জংঘলৰাজ।' ৰিপুণ বৰাই আৰক্ষীৰ লাঠিচালনাত তৃণমূল কংগ্ৰেছৰো নেতা-কৰ্মী আহত হোৱা বুলি উল্লেখ কৰে।

# প্ৰাণ প্ৰতিষ্ঠালৈ ৰাষ্ট্ৰপতি মুৰ্মুক আমন্ত্ৰণ নকৰাত ক্ষোভ বিএছপিৰ

**নতুন দিল্লী, ২৩ জানুৱাৰীঃ** দেশৰ বিৰোধী দলসমূহে অযোধ্যাৰ ভগৱান ৰাম লালাৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠান বৰ্জন কৰিছে৷ বিভিন্ন দলে এই অনুষ্ঠানক বিজেপিৰ ৰাজনৈতিক ইভেণ্ট আখ্যা দিছে৷ ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠান অনুষ্ঠিত হৈ যোৱাৰ পাছতে ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানক লৈ নাৰাজ হৈছে উত্তৰ প্ৰদেশৰ বিৰোধী দল বহুজন সমাজবাদী পাৰ্টী৷ উত্তৰ ভাৰতত দলিত ৰাজনীতি কৰা বিএছপি দল প্ৰাণ প্ৰতিষ্ঠাক লৈ বিজেপিয় বহুত ডাঙৰ ভুল কৰা বুলি কয়৷ বিএছপিৰ মুৰব্বী মায়াৱতীৰ ভতিজা আকাশ আনন্দে এই ক্ষেত্ৰত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে৷ আকাশ আনন্দে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক আমন্ত্ৰণ নকৰাত প্ৰশ্ন উত্থাপন কৰি এক্সত পোষ্ট দিয়া পৰিলক্ষিত হয়৷ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰটোকলত শীৰ্ষত ৰাখিবলৈ অনুষ্ঠানলৈ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক আমন্ত্ৰণ জনোৱা হোৱা নাছিল বুলি অভিযোগ উত্থাপন কৰে আকাশ আনন্দে। আকাশ আনন্দে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক ৰাম লাল্লাৰ অভিষেকৰ বাবে নিমন্ত্ৰণ নকৰাত বিজেপি চৰকাৰৰ ডাঙৰ ভুল বুলি বৰ্ণনা দি কয় যে বিজেপিয়ে ৰাষ্ট্ৰপতিক এই অনুষ্ঠানলৈ নিমন্ত্ৰণ নকৰি ভুল কৰিছে। মায়াৱতীৰ ভতিজা আকাশ আনন্দে এক্সত কয় যে ভাৰতৰ ইতিহাসত ২০২৪ চনৰ ২২ জানুৱাৰী তাৰিখে লিপিবদ্ধ কৰা হৈছে আৰু জনজাতীয় সমাজৰ পৰা অহা দেশৰ ৰাষ্ট্ৰপতি মাননীয় দ্ৰৌপদী মুৰ্মুক এই কাৰ্যসূচীত উপস্থিত থাকিলে ভাল হ'লহেঁতেন৷ বিজেপি চৰকাৰে কেৱল প্ৰধানমন্ত্ৰীক শীৰ্ষ প্ৰটোকলত ৰাখিবলৈ এটা ডাঙৰ ভুল কৰিছে। দৰাচলতে, বিএছপিৰ মুৰব্বী মায়াৱতীক শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰই প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানত উপস্থিত থাকিবলৈ আমন্ত্ৰণ জনাইছিল৷ কিন্তু মায়াৱতীয়ে এই কাৰ্যসূচীত উপস্থিত নাথাকে। অৱশ্যে মায়াৱতীয়ে কৈছিল যে বিএছপি এটা ধৰ্মনিৰপেক্ষ দল। আমি সকলোকে স্বাগতম জনাইছো৷ যদি মই ব্যস্ত নহও তেন্তে মই কাৰ্যসূচীত উপস্থিত থাকিব পাৰো। একে সময়তে কৈছিল যে যদি বাবৰি মছজিদ সম্পৰ্কে কোনো অনুষ্ঠান হয়, তেন্তে তেওঁ সেই অনুষ্ঠানকো স্বাগতম জনাব। মায়াৱতীয়ে ভতিজা আকাশ আনন্দক উত্তৰাধিকাৰী ঘোষণা কৰিছে। আকাশ সামাজিক মাধ্যমতো সক্ৰিয়।

# ভূত বাংলোত পৰিণত চুনাৰী ৰাজ্যিক চিকিৎসালয়

**ই-সংবাদ, গোৱালপাৰা, ২৩ জানুৱাৰীঃ** দেশ স্বাধীন হোৱাৰ ৭৫ বছৰ পাছতো উন্নত স্বাস্থ্য সেৱাৰ পৰা বঞ্চিত হৈছে নামনি অসমৰ বৃহৎ এলেকা৷ নামনি অসমত ব্ৰিটিছকালত স্থাপিত হাস্পতাল পুনৰ নিৰ্মাণ নকৰাৰ ফলতে ভূত বাংলাত পৰিণত হৈছে৷ ব্ৰিটিছ শাসিত অসমত লোকেলবোৰ্ড আইনৰ সময়ত গোৱালপাৰা জিলাত স্থাপন কৰা চুনাৰী ৰাজ্যিক চিকিৎসালয়ৰ জৰাজীৰ্ণ অৱস্থাই ৰাজ্য চৰকাৰৰ স্বাস্থ্য খণ্ডৰ ফোপোল স্বৰূপ ওলাই পৰিছে৷ ৰাইজে হাস্পতালখন পুনৰ নিৰ্মাণ কৰি ডাক্তৰ-নাৰ্চ তথা সা-সৰঞ্জাম যোগান ধৰিবলৈ দাবী জনাই আহিছে৷ কিন্তু চুনাৰী



ৰাজ্যিক চিকিৎসালয়খন চৰকাৰে হাস্পতালখন অত্যাধুনিক কৰিবলৈ গুৰুত্ব প্ৰদান নকৰাত ৰাইজে স্বাস্থ্য সেৱাৰ পৰা বঞ্চিত হৈ আহিছে৷ চুনাৰী ৰাজ্যিক চিকিৎসালয় গৃহ জহি-খহি যাব ধৰিছে৷ ভূত বাংলাত পৰিণত পৰিণত হোৱা চিকিৎসালয়খনত নাই আৱাস গৃহ৷ আৱাস গৃহৰ অভাৱত চিকিৎসক-কৰ্মচাৰীয়ে অইন ঠাইৰ পৰা আহ-যাহ কৰিবলগীয়া হোৱাত ৰোগীয়ে বিমোৰত পৰে৷ চিকিৎসালয় চৌহদৰ দেৱাল নথকাত দুষ্কৰ্ম সংঘটিত হয়। চৰকাৰক চিকিৎসালয়খন আটকধুনীয়াকৈ নিৰ্মাণ কৰিবলৈ দাবী জনাইছে ৰাইজে৷

# ৰিয়ান পৰাগলৈ লালা অমৰনাথ বঁটা

**মুম্বাই, ২৩ জানুৱাৰীঃ** ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে ২০২৩-২৩ বৰ্ষত ঘৰুৱা ক্ৰিকেটত আগবঢ়োৱা প্ৰদৰ্শনৰ ভিত্তিত অসম ক্ৰিকেট দলৰ অধিনায়ক ৰিয়ান পৰাগক লালা অমৰনাথ অলৰাউণ্ডাৰ বঁটা প্ৰদান কৰিছে। আজি অনুষ্ঠিত



বাৰ্ষিক বঁটা প্ৰদান অনুষ্ঠানত ৰিয়ানক এই সন্মান প্ৰদান কৰা হৈছে। উল্লেখ্য যে বিগত বৰ্ষত দুলিপ ট্ৰফি আৰু চৈয়দ মোস্তাক আলী ট্ৰফি তেওঁ বেট বল উভয়তে সুন্দৰ প্ৰদৰ্শন আগবঢ়াই কেইবাটাও অভিলেখ স্থাপন কৰিছিল।

# দেৰগাঁৱৰ দুৰ্ঘটনাত নিহতৰ পৰিয়ালৰ কাষত মুখ্যমন্ত্ৰী, চেক প্ৰদান

**ই-সংবাদ, খুমটাই, ২৩, জানুৱাৰীঃ** ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰা গুৱাহাটীত প্ৰৱেশৰ দিনটোত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলা ভ্ৰমণ কৰে৷ দেৰগাঁৱৰ ভয়ানক পথ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালক এককালীন সাহায্য প্ৰদান কৰে মুখ্যমন্ত্ৰী ডাে হিমন্ত বিশ্ব শৰ্মাই৷ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সন্ধিয়া আঠখেলীয়াৰ বছাভৰলুৱা গাঁৱত উপস্থিত হৈ ১১ মৃতকৰ শোকসন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰাৰ লগতে আঘাতপ্ৰাপ্তসকলৰ স্বাস্থ্যৰ বুজ লয়। মৃতকৰ পৰিয়ালসমূহক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আঢ়ৈ লাখকৈ টকাৰ সাহায্য চেক প্ৰদান কৰে৷ ৩ জানুৱাৰীৰ পুৱা কমাৰবন্ধা বছাভৰলুৱা পৰা তিনিচুকীয়াৰ টিলিঙা মন্দিৰত পিকনিক খাবলৈ বুলি গৈ থকা অৱস্থাত আল্ট্ৰা বাছক কয়লা ভৰ্তি ট্ৰাক খুন্দামৰাত ১১জনকৈ লোকৰ একেলগে মৃত্যু হৈছিল৷ আহত হৈছিল বহু কেইজন লোক। দিনৰ ভাগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উদ্যোগত দেৰগাঁৱৰ নৰেন শৰ্মা স্মৃতিপথাৰত দেৰগাঁও সমষ্টিৰ ৰেচন কাৰ্ড বিতৰণৰ অনুষ্ঠানত উপস্থিত থাকে৷ নেতাজী সুভাষ চন্দ্ৰ বসুৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্জ্বলন কৰি নতুন হিতাধিকাৰীৰ মাজত ৰেচন কাৰ্ড বিতৰণৰ শুভাৰম্ভ কৰে৷ ৰেচন কাৰ্ড বিতৰণৰ অন্তত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে বিজেপিৰ দিনত গোলাঘাট জিলাত উন্নয়ন হোৱা বুলি দাবী কৰে৷ আয়ুষ্মান কাৰ্ড, উজ্জ্বলা আঁচনি, মহিলা উদ্যমিতা আঁচনিয়ে মহিলা তথা আত্মসহায়ক গোটসমূহৰ বাবে সহায়ক হ'ব বুলি কয়৷ বিত্ত মন্ত্ৰী অজন্তা নেওগে মুখ্যমন্ত্ৰীৰ বিশেষ তৎপৰতাত গোলাঘাট জিলাত নতুন বাট-পথৰ উন্নয়ন হোৱা বুলি উল্লেখ কৰে৷ দেৰগাঁও সমষ্টিৰ বিধায়ক ভৱেন্দ্ৰনাথ ভৰালীয়ে আদৰণি ভাষণ প্ৰদান কৰা সভাত দেৰগাঁও সমষ্টিৰ ৫ হিতাধিকাৰীক মঞ্চত মুখ্যমন্ত্ৰীয়ে নিজ হাতে ৰেচন কাৰ্ড বিতৰণ কৰে৷ প্ৰায় দহ সহস্ৰাধিক ৰাইজ উপস্থিত থকা সভাত ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, দেৰগাঁৱৰ বিধায়ক ভৱেন্দ্ৰনাথ ভঁৰালী, সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন, মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, গোলাঘাট জিলা পৰিষদৰ সভানেত্ৰী হেলিনা দলে পেগু, দেৰগাঁও পৌৰসভাৰ সভানেত্ৰী ৰূপাঞ্জলি বৰা, জিলা আয়ুক্ত ডাঃ পি উদয় প্ৰৱীণ, জিলা আৰক্ষী অধীক্ষক ৰাজেন সিং উপস্থিত থাকে৷

# ডিলাইত জব্দ ১৬ কুইন্টল বাৰ্মিজ চুপাৰিসহ ট্ৰাক, চালক-হেণ্ডিমেন আটক

**ই-সংবাদ, বোকাজান, ২৩ জানুৱাৰীঃ** আজি পুৱাৰ ভাগত কাৰ্বি আংলং জিলা বোকজানৰ মহকুমাৰ অন্তৰ্গত ডিলাইত আৰক্ষীয়ে তালাচী চলাই বুজন পৰিমাণৰ বাৰ্মিজ চুপাৰিসহ এখন ট্ৰাক জব্দ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি, আজি পুৱা প্ৰায় আঠ বজাত ডিলাই থানাৰ অন্তৰ্গত ডিলাই তিনিআলিত আৰক্ষীয়ে চলোৱা নিয়মীয়া তালাচীত ডিমাপুৰৰ দিশৰ পৰা মাঞ্জা অভিমুখে আহি থকা এএছ-০১-এমচি-৭৩১৯ নম্বৰৰ ট্ৰাকখনত তালাচী চলাই ১৬০০ কিঃগ্ৰাঃ বাৰ্মিজ চুপাৰি জব্দ কৰে। চুপাৰিখিনি ট্ৰাকখনৰ পিছৰ অংশত গোপন চেম্বাৰ সাজি চুপাৰিখিনি সৰবৰাহৰ চেষ্টা কৰা হৈছিল। এই সন্দৰ্ভত আৰক্ষীয়ে ট্ৰাকখনৰ চালক আৰু হেণ্ডিমেনক আটক কৰি তদন্ত অব্যাহত ৰাখিছে। ধৃত চালক-হেণ্ডিমেন দুগৰাকী ক্ৰমে হোজাই জিলাৰ নীলবাগানৰ আব্দুল বাৰেক (৪০) আৰু কাৰ্বি আংলং জিলাৰ হাওৰাঘাট মিস্ত্ৰীবালিৰ শিৱ গোৱালা (২১) বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে, ঘটনা সংক্ৰান্তত আৰক্ষীয়ে এক গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰখাৰ লগতে জব্দকৃত চুপাৰিখিনিৰ বজাৰমূল্য আনুমানিক প্ৰায় ৫ লাখ টকা বুলি আৰক্ষী সূত্ৰে প্ৰকাশ।

শেষ পৃষ্ঠা

# অষ্ট্ৰেলিয়ান অপেনৰ ছেমিত জক'ভিচ

**মেলবৰ্ণ, ২৩ জানুৱাৰীঃ** অষ্ট্ৰেলিয়ান অপেনৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে প্ৰথম বাছনিৰ ছাৰ্বিয়ান তাৰকা ন'ভাক জক'ভিচ। আজি অনুষ্ঠিত পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত তেওঁ আমেৰিকান খেলুৱৈ টেইলৰ ফ্ৰিটজক ৭-৬, ৪-৬, ৬-২ আৰু ৬-৩ ছেটত পৰাস্ত কৰে। দ্বাদশ বাছনি লাভ কৰা আমেৰিকান খেলুৱৈজনৰ বিৰুদ্ধে প্ৰথম ছেটটোত সংগ্ৰাম কৰিবলগীয়া হয় আৰু দ্বিতীয় ছেটটো হেৰুৱাই জক'ভিচে। ইয়াৰ পাছত তৃতীয় আৰু চতুৰ্থ ছেটটো সহজে জয় কৰি নিজৰ শ্ৰেষ্ঠত্ব পুনৰ প্ৰমাণ কৰে ছাৰ্বিয়ান খেলুৱৈজনে। ইফালে মহিলাৰ ছিংগলছৰ আজি অনুষ্ঠিত হোৱা কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰিছে আৰীয়া ছাবালেংকা আৰু ক'কো গউফে। ছাবালেংকাই বাৰ্ব'ৰা ক্ৰেজচিকভাক ৬-২ আৰু ৬-৩ ছেটত পৰাস্ত কৰাৰ বিপৰীতে গউফে মৰ্টা কষ্টাউকৰ বিৰুদ্ধে ৭-৬, ৬-৭ আৰু ৬-২ ছেটত জয়লাভ কৰে। টুৰ্ণামেণ্টখনৰ ছেমিত ছাবালেংকা গউফৰ মুখামুখি হ'ব।

# এছিয়া কাপত ভাৰতৰ বিদায় নিশ্চিত

**ডোহা, ২৩ জানুৱাৰীঃ** এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ পৰা ভাৰতীয় দলৰ বিদায় নিশ্চিত হৈছে। আজি আল-বায়েট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গ্ৰুপ 'বি'ৰ এখন মেছত ন্যূনতম গলৰ ব্যৱধানত পৰাস্ত হয় ভাৰত। লীগৰ তিনিখন খেলত ভাগলৈ তিনিখনতে পৰাজিত হোৱা ভাৰতীয় দলে এতিয়ালৈকে কোনো পইণ্ট লাভ নকৰি গ্ৰুপৰ শেষত অৱস্থান কৰিছে। আজিৰ খেলখনত ভাৰতীয় দলে কেইবাটাও সুযোগ নষ্ট কৰে। ইয়াৰ বিপৰীতে গলৰক্ষক গুৰপ্ৰীত সিঙে সুন্দৰ প্ৰতিৰোধ কৰে। আজি ছিৰিয়াৰ হৈ একমাত্ৰ গলটো খেলৰ ৭৬ মিনিটত স্ক'ৰ কৰে ওমৰ খ্ৰীবিনে।



■ বড়ো জনগোষ্ঠীৰ বাথৌ পূজাত সেৱা জনাইছে বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱে

# ধুবুৰীত ৰাসায়নিক সাৰৰ ছিণ্ডিকেটৰাজ!

**ই-সংবাদ, ধুবুৰী, ২৩ জানুৱাৰী:** ধুবুৰী জিলাৰ বীৰসিং জৰুৱা উন্নয়ন খণ্ড এলেকাৰ উত্তৰাঞ্চলত জিলা খনৰ কৃষি বিভাগৰ ছত্ৰ ছায়াত একাংশ অসাধু গেলামাল দোকানীয়ে একেখন দোকানতে সমান্তৰালকৈ ৰসায়নিক সাৰ, কীটনাশক, বীজ আদিৰ বেপাৰ চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। অঞ্চলটোৰ শিমুলতলা বজাৰ, ডিমাতলা বজাৰ, ভাংঙা বাজাৰ, কাতলামাৰী বজাৰৰ লগতে বিভিন্ন গাঁৱত অৰ্ধ শতাধিক এনে অবৈধ দোকান চলি আছে। এনে দোকানবোৰ প্ৰকৃততে হৈছে গেলামাল দোকান। এনে দোকানবোৰত একে ঠাইতে খাদ্য সামগ্ৰীৰ লগতে ইউৰিয়া, মিউৰেট অফ পটাচ, ছুপাৰ ফছফেট, ডিএপি আদি ৰসায়নিক সাৰৰ লগতে মাৰাত্মক কীটনাশক আদি একেলগে ৰাখি অনায়াসে বিক্ৰী কৰা হৈছে। স্থানীয় ফুলকাটাৰী বজাৰৰ পৰা কৃষি বিভাগৰ ছত্ৰ ছায়াত এনেদৰে অবৈধ সাৰৰ ছিণ্ডিকেট নিয়ন্ত্ৰণ কৰা হৈছে বুলি অভিযোগত প্ৰকাশ। এনে ৰসায়নিক সাৰৰ কাৰবাৰ বন্ধৰ বাবে সদৌ অসম খুচুৰা সাৰ বিক্ৰেতা সন্থাৰ বিৰসিং জৰুৱা ব্লক সমিতিয়ে ধুবুৰী জিলা কৃষি বিষয়াৰ ওচৰত আবেদন কৰিছিল যদিও কোনো সুফল নাপালে। ৰাজ্যৰ দুৰ্নীতি বিৰোধী চৰকাৰৰ কাৰ্যকালতে ধুবুৰী জিলা কৃষি বিভাগৰ ছত্ৰ ছায়াত কেনেকৈ এনে অবৈধ সাৰৰ ছিণ্ডিকেট ৰাজ চলিছে সেয়া সম্প্ৰতি চৰ্চাৰ বিষয় হৈ পৰিছে।

# বৰপথাৰত পথ দুৰ্ঘটনাত এজন নিহত

**ই-সংবাদ, সৰুপথাৰ, ২৩ জানুৱাৰীঃ** গোলাঘাট জিলাৰ ধনশিৰিৰ বৰপথাৰ পাভজানত ভয়ংকৰ পথ দুৰ্ঘটনাত এগৰাকী মহিলা নিহত হয়। জামুগুৰিৰ পৰা বৰপথাৰ অভিমুখী তীব্ৰবেগী গাড়ীয়ে পথৰ কাষেৰে গৈ মহিলা আৰু এজন যুৱকক মহতিয়াই নিয়ে। ফলত ৰূপালী বৰা (৪০) নামৰ মহিলাগৰাকী ঠিতাতে নিহত হোৱাৰ লগতে অবিনাশ বৰা (১৮) নামৰ যুৱকজন গুৰুতৰভাৱে আহত হয়। দ্ৰুতগতিত অহা গাড়ীখনে পথৰ কাষেৰে নমাই মহিলা আৰু যুৱকজনক মহতীয়াই নিয়াৰ অভিযোগ উত্থাপন হয়। গুৰুত্বৰভাৱে আহত যুৱক জনক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। আৰক্ষীয়ে মৃত মহিলাগৰাকীক মৰোণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে বুলি জানিব পৰা গৈছে। মহতীয়াই পলায়ন কৰা FORD FIGO গাড়ীখন আৰক্ষীয়ে ধৰিবলৈ সক্ষম হয়।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান